# এছ'পি

ডা° বিকাশ বৰুৱা

ব্ৰহ্মপুৰাতে মানুহজনক দেখি বিচুৰ্তি খালোঁ। কাৰণ ৰাইজে কোৱা মতে তেওঁ হেনো বহুত দেৰিকৈ উঠে।

মই অৱশ্যে চাৰিমান বজাতে শেতেলি এৰি ভূমিষ্ঠ হ'বলগীয়া হয়। আমাৰ ঘৰত এজনী হাঁহ আছে। ছৰি.. হাঁহ নহয়, হাঁহিনী। কণী ফুটি ওলোৱাৰে পৰা লগতে ৰাখি ডাঙৰ-দীঘল কৰিলোঁ। এতিয়া গাভৰু হৈ নিজেও কণী পাৰিব পৰা হ'ল। নাম আঙুৰলতা গাভৰু। ওৰফে দীপিকা হাগুকণ। পুৱা অকণমান দেৰি হ'লেই হুলস্থুল লগাই দিয়ে। মুকলিলৈ উলিয়াই নিব লাগে। কিবা এটা খাবলৈ দিব লাগে। কোলাতে লৈ গান শুনাব লাগে। এটা গান খুব ভাল পায়। আজ কাল মেঁ ধল গয়া দিন হুৱা তমাম, তু ভি ছ' যা ছ' গয়ি ৰংগ ভৰি ছাম..। নাকতে নাকটো লগাই একান্তমনে শুনি থাকে।

সেইবোৰ কৰি থাকোঁতেই সিফালে আলিবাটত সিজন। গছৰ ফাঁকেদি দেখা পোৱাকৈ ফিটিং দি আছে।

মানুহজনৰ অৰিজিনেল নামটো আজিকালি নাই। শেহতীয়াকৈ এছ'পি শব্দটো অতিপাত জনপ্ৰিয় হোৱাৰ পাছত এতিয়া তেওঁৰ নামো এছ'পি। পিছে ছুপাৰিণ্টেণ্ডেণ্ট অব পুলিছ নহয়। ষ্টেণ্ডাৰ্ড অপাৰেটিং প্ৰছিডিঅ'ৰো নহয়। 'সমাজ কল্যাণ' নামৰ ৰাজকীয় বিভাগটো চেপি খুন্দি ৰস উলিয়াই খাই হাতীটোৰ সমান শকত-আৱত হোৱা এজন সাধাৰণ বিষয়াহে। পৰ্বতৰ সমান টকা-পইচা থকা সত্ত্বেও মানুহজনে বহুত দিনৰে পৰাই গাঁঠিৰ বিষত ভুগি আছিল। কোনোপধ্যে ভাল নহয়হে নহয়। কোনোবা এজন ডাক্তৰে শেষত গৈ থৈ নামটোকে সলনি কৰি দিলে। ছিৰিয়াছ অষ্টিঅ'আৰ্থ্ৰাইটিক পেছেণ্ট। চমুকৈ এছ অ' পি। ওৰফে ছপ।

ছপ..?

পি অ' পি পপ। টি অ' পি টপ। এছ অ' পি ছপ নহৈ কি হ'ব? ব্যাকৰণ মতে সম্পূৰ্ণ শুদ্ধ। দহৰ ভিতৰত দহ।

"হেৰি নহয় ডক্তৰ চাহাব, পোন্ধৰ আগষ্ট উপলক্ষে এছ'পি একেই থাকিবনে কিবা অলপ বেলেগ হ'ব, গম পায়নে?"

এই বিশেষ দিনটোত তেওঁৰ কিবা স্পেছিয়েল প্ৰগ্ৰেম আছে নেকি সুধিলোঁ।

"প্ৰগ্ৰেম একো নাই। মাত্ৰ অনলাইনত দৰকাৰী বস্তুবিলাক আহিবনে নাই সেইটো লৈহে চিন্তা।"

বুজিলোঁ। চিন্তাটো বটলৰ। 'সুৰাৰ হোম ডেলিভাৰি' হ'ব বুলি বাতৰি ওলাইছে ঠিকেই, পিছে প্ৰকৃততে হৈছেনে নাই, আৰু যদি হৈছে এই লোভনীয় কাৰ্যফেৰা অসম মুলুকৰ আটাইবোৰ নগৰতে আৰম্ভ হৈছেনে নাই সেইটো এটা জানিবলগীয়া কথা। যদি হৈছে ভাল কথা। যদি হোৱা নাই, দুৰ্ভাগ্যৰ বিষয়।

মানুহজনে ৰাস্তাৰ পৰাই গছৰ ফাঁকেদি কেইটামান ডাঙৰ খবৰ দিলে। তাৰ ভিতৰত এক নম্বৰ-- ৰজাঘৰীয়া এছ'পিবিলাক আচলতে হেনো প্ৰজাৰহে একচেটীয়া সম্পত্তি।

কেনেকৈ?

নামতে অৰ্থটো সোমাই আছে। এছ অ' পি। এছ মানে চৰকাৰ। অ' মানে অৰ্ডাৰ। পি মানে প্ৰজা। অৰ্থাৎ চৰকাৰে বিধে বিধে অৰ্ডাৰ দিব আৰু সেইবিলাক আখৰে আখৰে পালন কৰি প্ৰজাবোৰ চলি থাকিব। ৰজাৰে আদেশ যেতিয়া ৰজাঘৰীয়া মানুহে তাক মানি চলাৰ প্ৰশ্নই নুঠে। সংবিধানত তেনে কোনো নিয়ম নাই।

এখন্তেক চিন্তা কৰি চালোঁ। ঠিকেই, এছ'পিৰ লগত ৰজাঘৰীয়াৰ সম্পৰ্ক থাকিবই নোৱাৰে। সেয়েহে তেওঁলোক বিন্দাছ ঘূৰি ফুৰে। এখন জিলাৰ পৰা আনখন জিলালৈ পটাপট গুচি যায়। ফূৰ্তি কৰিবলৈ মন গ'লে ছাইকেল ৰেলি-তেলিবোৰ উলিয়াই দিয়ে। মাজুলীলৈ গৈ ভাগিনহঁতৰ সৈতে একেলগে বহি খানা খায়। মেল মিটিং পৰ্যন্ত পাতে। যোৰহাটত পাতিছে, মৰিয়নিত পাতিছে। বাইহাটা চাৰিআলিত প্ৰছেছন উলিয়াইছে। নাচিছে। ফটকা ফুটাইছে। লগে-ভাগে চাহ-মিঠাই খাইছে। ৰজাঘৰীয়াই যি মন যায় সকলো কৰি আছে। একমাত্ৰ প্ৰজাহে ঘৰৰ ভিতৰত।

"এইমাত্ৰ খবৰ পালোঁ, পোন্ধৰ আগষ্টৰ পাছতে দিল্লীৰলা মন্ত্ৰী এজনাক লৈ আকৌ সমদল উলিয়াব। কিবা বোলে আশীৰ্বাদ যাত্ৰা।"

আমাৰ কাষতে ভাৰাঘৰত থকা শ্ৰীমতী চুচিলা চৰ্মাই কৈছে—"ঈদ কোনদিনা হ'ব জানিবৰ কাৰণে সেইযে আকাশলৈ চাই থাকিব লাগে, জোনটো দেখাৰ লগে লগে খদমদম লাগি যায়, এছ'পিৰ বেলিকাও একেটাই কথা। প্ৰত্যেকেই অধীৰ উৎকণ্ঠাৰে নতুন নতুন এছ'পিলৈ বাট চাই থাকে। শাককে এমুঠি আনোঁগে বুলি বজাৰলৈ ওলাওঁতেও এছ'পি ভালদৰে পঢ়ি লওঁ। দোকান-বজাৰ যদি এঘাৰ বজালৈকেহে খোলা থাকে, ভীষণ ভিৰ হ'ব। পাচলিৰ বজাৰত ৰৈ থাকোঁতে গাতে লাগি থকা মানুহবোৰৰ পৰা লেউ লেউকৈ এগাল কৰ'না আহি নাকে-মুখে উঠিব। ভিৰৰ মনোৰম দৃশ্যই সন্ধিয়ালৈ টিভিত বিগ ব্ৰেকিং নিউজ হৈ দেখা দিব। ইফালে ঘৰতে বহি অনলাইন শ্বপিং কৰোঁতেও এছ'পি। কোনবিলাক বস্তু আহিব, কোনবোৰ নাহে, কি কি অদৰকাৰী, কি দৰকাৰী, এমাজন, ফ্লিপকাৰ্ট আদিয়েহে ঠিক কৰে।"

আন্তঃজিলা যাতায়ত যে আলিবাটেদি বন্ধ, ৰে'লেৰে খোলা, সেই খবৰটোও তেখেতেই দিলে। 'কেনিবা যাবলগীয়া আছিল যদি গৈ আহকগৈ। ৰজাঘৰীয়া হুকুমনামাত সেই সম্পৰ্কে কোনো উল্লেখ নাই।'

ৰাস্তাতে ৰৈ থকা ছিৰিয়াছ অষ্টিঅ'আৰ্থ্ৰাইটিক পেছেণ্টজনক সুধিলোঁ—"আপোনাক কেতিয়াও মৰ্নিং ৱাক কৰা দেখা নাই। নতুনকৈ আৰম্ভ কৰিছে নেকি?"

"এ.. নক'ব আৰু" বুলি কৈ তেওঁ ভালেমান কথাই ক'লে। সাৰাংশটো হ'ল—তেওঁলোকৰ ঘৰত আজি নতুন এছ'পি ওলাইছে। সেই মৰ্মে পুৱাই কমেও সাত কিল'মিটাৰ মৰ্নিং ৱাক। কাৰণ পেট অলৰেডি আলুৰ বস্তাটোৰ নিচিনা হৈছেগৈ। ৱাক কৰি অহাৰ পাছত বাচন ধোৱা, পাচলি কুটা, কাপোৰ মেলা, মকৰাজাল চাফা কৰা, টাবত পানী দিয়া..। আটাইতকৈ ডাঙৰ হুকুমটো হ'ল—ঘৰতে বহি ফটিকাৰ অৰ্ডাৰ দিয়া, পকৰি মগোৱা—এইধৰণৰ কাৰ্য সম্পূৰ্ণৰূপে নিষিদ্ধ। কোনো কাৰণতেই সেইটো এলাও কৰা নহ'ব। 'সুৰাৰ হোম ডেলিভাৰি' কথাষাৰ শুনিয়ে হেনো ডাৰ্লিং প্ৰাণেশ্বৰীৰ টেমা গৰম। গতিকে পোন্ধৰ আগষ্ট উপলক্ষে আগদিনা অফলাইনতে বটলকেইটা আনি থোৱাটো বুদ্ধিমানৰ কাম হ'ব।"

"এনেয়ে আপুনি কেইবজাত উঠে?"

"ন। চাৰে ন। দহ। বৰযুণৰ বতৰত বা দেওবাৰে এঘাৰও বাজে। 'ৰাতিপুৱা' নামৰ বস্তুটো কেনেকুৱা, লাইফত আজি প্ৰথম দেখিলোঁ বুইছে। সেই সুযোগতে আপোনাকো দেখা পালোঁ।"

ঠিকনা ঃ ক্লাব ৰ'ড, যোৰহাট-৭৮৫০০১, ফোন ঃ ৮৬৩৮০২৮৭৯৯
e-mail : dr.bikaasbarooa@gmail.com